## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা

## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম  বিষয় ঃ ভাষা-১ (অসমীয়া)  প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পুৰণি শব্দৰ সৈতে আধুনিক শব্দৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ্যপুথিৰ বহিৰ্ভূত পাঠ পঢ়ি বুজি নিজস্বভাৱে লিখি প্ৰকাশ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) তেজৰে কমলাপতি | - | পাঠ নং ১ |
| খ) হাঁহি | - | পাঠ নং ২ |
| গ) সাফল্যৰ জিলিঙনি | - | পাঠ নং ৩ |
| ঘ) গল্পৰ ছলেৰে | - | পাঠ নং ৪ |
| ঙ) স্বদেশ-প্ৰেম | - | পাঠ নং ৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

অতীতৰ ভেটিতেই ভবিষ্যত গঢ় লৈ উঠে। অসমীয়া ভাষা-সাহিত্যৰ বিষয়ে ভালদৰে জানিবলৈ পুৰণি অসমীয়া সাহিত্য অধ্যয়নৰ প্ৰয়োজন। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পুৰণি অসমীয়া পদ্য বা গদ্যসমূহ পঢ়িবলৈ আগ্ৰহ প্ৰকাশ নকৰে। পুৰণি অসমীয়া শব্দবোৰৰ অৰ্থ নজনাটোৱেই অনীহাৰ কাৰণ বুলি ক’ব পাৰি। ছাত্ৰ-ছাত্ৰীসকলক পুৰণি অসমীয়া শব্দসমূহৰ অৰ্থ শিকাই তেওঁলোকৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰিব পাৰি।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশলৰ মানদণ্ড উন্নত হ’ব।
- ছাত্ৰ-ছাত্ৰীসকলৰ শব্দভাণ্ডাৰ বৃদ্ধি হ’ব।
- যিকোনো পুৰণি শব্দৰ সৈতে আধুনিক শব্দৰ অৰ্থভিত্তিক সম্পৰ্ক স্থাপন কৰিব পাৰিব।
- পাঠ্যপুথিৰ অন্তৰ্গত বা পাঠ বহিৰ্ভূত যিকোনো পাঠ পঢ়ি বুজি পাব আৰু লিখি প্ৰকাশ কৰিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

- ছাত্ৰ-ছাত্ৰীৰ পুৰণি অসমীয়া শব্দৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰাৰ বাবে উপযুক্ত ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।
- ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

**পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

- এই সমল সামগ্ৰী অধ্যয়ন কৰি আমি ছাত্ৰ-ছাত্ৰীক পুৰণি অসমীয়া শব্দবোৰৰ আধুনিক ৰূপৰ আভাস দিবলৈ উপযুক্ত পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিম।

➩ ক্রিয়া-কলাপ, অনুশীলনীৰ পৰিকল্পনা কৰিব পাৰিম।

➩ পুৰণি অসমীয়া শব্দসমূহৰ অৰ্থ জনাত শব্দ-ভাণ্ডাৰ বৃদ্ধি কৰাত সহায় কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ বহিৰ্ভূত পুৰণি শব্দৰ সৈতে আধুনিক শব্দৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব। | শব্দ কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | দুয়োধৰণৰ শব্দসমূহ মন কৰা —<br>**প্ৰাচীন অসমীয়া শব্দ**<br>বৎস, লৱণু, তুৰা, উঠিয়া, পৰভাত দৈৱাৎ, কাচিৎ<br>**আধুনিক অসমীয়া শব্দ**<br>পোৱালি, মাখন, তোৰ উঠি, প্ৰভাত, অকস্মাৎ, কেতিয়াবা | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ্যপুথি বহিৰ্ভূত পাঠ পঢ়ি বুজি নিজস্ব ভাৱে লিখি প্ৰকাশ কৰিব পাৰিব। | শব্দ কাৰ্ড | দলগত/ব্যক্তিগত ক্ৰিয়া-কলাপ | তলত দিয়া পদ্যফাকি আধুনিক অসমীয়া গদ্যৰূপত লিখা —<br>"ৰয়ণী বিদূৰ দিশ ধৱলি বৰণ।<br>তিমিৰ ফেৰিয়া বাজ ৰবিৰ কিৰণ।।<br>শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।<br>ব্ৰজবধূ দধি মথে তুৰা গুণ গাই।। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

তিনিচুকীয়া জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰশ্মি মৰাণে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পুৰণি অসমীয়া ভাষাত লিখা পাঠ্যসমূহ পঢ়ি বুজিবলৈ সক্ষম হ'বলৈ তলত দিয়া ধৰণৰ ক্ৰিয়া-কলাপ প্ৰস্তুত কৰিছিল।

ৰশ্মি বাইদেৱে কাৰ্ডত কিছুমান স্তৱক লিখি ল'লে।

স্তৱকসমূহ এনেধৰণৰ —

দাম-সুদাম ডাকে তেৰি লৈয়া নাম।<br>
হেৰ দেখ উঠিয়া আসিল বলৰাম।।<br>
নন্দ গেল বাথানে গোৱাল গেল পাল।<br>
সুৰভী চাৰিতে লাগে উঠৰে গোপাল।।

তুমি নিৰঞ্জন/ পাতক ভঞ্জন।
দানৱ গঞ্জন/ গোপিকা ৰঞ্জন।।
বেদান্ত গায়ক/বংশী বায়ক।
জগত নায়ক/ মুকুতি দায়ক ।।

(গুণমালা—শংকৰদেৱ)

এনেদৰে কিছুমান স্তৱক লিখা কাৰ্ডসমূহ প্ৰস্তুত কৰাৰ পিছত ৰশ্মি বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক চাৰি-পাঁচজনীয়া দলত বিভক্ত কৰি দিলে। প্ৰতিটো দলকে একোখনকৈ কাৰ্ড ভগাই দিলে। ইয়াৰ পিছত প্ৰতি দলৰ সদস্যসকলক কাৰ্ডত থকা স্তৱকটো পঢ়িবলৈ দিলে। স্তৱকটো পঢ়ি তেওঁলোকে বুজি নোপোৱা শব্দসমূহ দলীয়ভাৱে বাছি উলিয়াই লিখিবলৈ দিলে।

ইয়াৰ পাছত ৰশ্মি বাইদেৱে সামগ্ৰিকভাৱে দফাটো পঢ়ি তেওঁলোকে নজনা শব্দবোৰৰ অৰ্থ কি হ'ব পাৰে নিজৰ মতে ভাবি লিখিবলৈ দিলে। ইয়াৰ পাছত তেওঁ প্ৰতিটো দলে বাছি উলিওৱা নজনা শব্দসমূহৰ অৰ্থ বোৰ্ডত লিখি দিলে। ছাত্ৰ-ছাত্ৰীসকলক বোৰ্ডত লিখা অৰ্থসমূহ ভালদৰে পঢ়িবলৈ দিলে আৰু বহীত লিখি ল'বলৈ দিলে।

ৰশ্মি বাইদেৱে দেখিলে যে ছাত্ৰ-ছাত্ৰীসকলে ক্ৰিয়া-কলাপটো কৰি আনন্দ পাইছে আৰু তেওঁলোকে নজনা শব্দবোৰৰ নিজে ভাবি লিখা কিছুমান অৰ্থ মিলিছে। তেওঁ দেখিলে যে এইবাৰ ছাত্ৰ-ছাত্ৰীসকলে স্তৱকটো পঢ়ি বুজি পাইছে। দৃঢ়ীকৰণৰ বাবে তেওঁ প্ৰতিটো দলকে তেওঁলোকৰ ভাগত পৰা স্তৱকটো নিজৰ ভাষাত লিখি আনিবলৈ দিলে।

*বিঃদ্ৰঃ* ***ৰশ্মি মৰাণে পাঠ্যপুথি বহিৰ্ভূত পাঠৰ দফা সংগ্ৰহ কৰিও কাৰ্ড প্ৰস্তুত কৰিছিল। তেওঁ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক —**

⇨ ৰশ্মি মৰাণে কেনেধৰণৰ সাহিত্য পাঠৰ দফা থকা কাৰ্ড প্ৰস্তুত কৰিছিল?

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ লিখন দক্ষতাৰ বিকাশৰ বাবে আমি আৰু কেনেধৰণৰ ক্ৰিয়া-কলাপ কৰিব পাৰোঁ।

**ক্ৰিয়া-কলাপ - ১**

**প্ৰস্তুতি ঃ** এই ক্ৰিয়া-কলাপটিৰ বাবে শিক্ষকে কিছুমান শব্দ লিখা থকা কাৰ্ড প্ৰস্তুত কৰি ল'ব। কাৰ্ডসমূহৰ কিছুমানত 'তেজৰে কমলাপতি' আৰু 'হাঁহি' পাঠৰ আধাৰত পুৰণি অসমীয়া শব্দ আৰু কিছুমানত পুৰণি শব্দবোৰৰ আধুনিক ৰূপ লিখি ল'ব।

| প্ৰাচীন অসমীয়া শব্দ |
|---|
| বৎস, লৱণু, তুৰা, উঠিয়া, পৰভাত দৈৱাৎ, কাচিৎ |

| আধুনিক অসমীয়া শব্দ |
|---|
| পোৱালি, মাখন, তোৰ উঠি, প্ৰভাত, অকস্মাৎ, কেতিয়াবা |

**উদাহৰণস্বৰূপে ঃ**

বিৱৰণ ঃ কাৰ্ডসমূহ প্ৰস্তুত কৰি লোৱাৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক অতি কমেও ছটা দলত বিভক্ত কৰি ল'ব। তিনিটা দলক পুৰণি শব্দ লিখা থকা কাৰ্ড আৰু বাকী তিনিটা দলক পুৰণি শব্দসমূহৰ আধুনিক ৰূপ লিখা

থকা কার্ডসমূহ প্ৰদান কৰিব। ইয়াৰ পাছত শিক্ষকে প্ৰতিটো দলে লাভ কৰা কার্ডসমূহত লিখা থকা শব্দবোৰৰ আধুনিক বা পৌৰাণিক ৰূপসমূহ লিখা থকা কার্ড আন কোনটো দলে লাভ কৰিছে, সেয়া দলীয় আলোচনাৰ মাধ্যমেৰে বিচাৰি উলিয়াবলৈ নির্দেশনা প্ৰদান কৰিব। এনেদৰে সম্পৰ্কিত কার্ডসমূহ দলসমূহে বিচাৰি উলিওৱাৰ পিছত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীকে পুৰণি শব্দ আৰু তাৰ আধুনিক ৰূপসমূহ বহীত লিখিবলৈ দিব।

ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ নির্দেশনা অনুসৰি নিজ নিজ দলে লাভ কৰা কার্ডত থকা শব্দসমূহ পঢ়িব। ইয়াৰ পিছত ইটো দলে সিটো দলৰ লগত আলোচনা কৰি তেওঁলোকে লাভ কৰা কার্ডসমূহৰ লগত সম্পর্ক থকা কার্ডখন বিচাৰি উলিয়াব। ইয়াৰ পিছত দুয়োখন কার্ড মিলাই পুৰণি শব্দ আৰু আধুনিক ৰূপসমূহ বহীত লিখিব। এই ক্ৰিয়া-কলাপটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ দলীয় আলোচনাৰ মাধ্যমেৰে পুৰণি শব্দ আৰু সেইবোৰৰ নতুন ৰূপ সম্পৰ্কে বোধ জন্মিব।

এই ক্ৰিয়া-কলাপটিত —

- ⇨ ছাত্ৰ-ছাত্ৰীসকলৰ পুৰণি শব্দৰ নতুন ৰূপ সম্পৰ্কে বোধ জন্মিছে।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ স্ব-মূল্যায়ন হৈছে।

**সাৰাংশ ঃ** বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পুৰণি অসমীয়া গদ্যৰূপ পঢ়ি বুজি পোৱাৰ অসুবিধাসমূহ দূৰ কৰিব পাৰিব, ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে পুৰণি আৰু নতুন শব্দৰ মাজত সম্পর্ক স্থাপন কৰিব পাৰিব, লগতে তেওঁলোকৰ শব্দ ভাণ্ডাৰো বৃদ্ধি হ'ব। প্ৰয়োজন সাপেক্ষে আমি শিক্ষকসকলে বিভিন্ন পুৰণি অসমীয়া গদ্য আৰু পদ্যৰ সমল যোগান ধৰিব পাৰোঁ।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ লিখন-কৌশল দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নসমূহ কৰি চাওঁ আহক —

⇨ তলত দিয়া পদ্যফাকি আধুনিক অসমীয়া গদ্যৰূপত লিখা —

"ৰয়নী বিদূৰ দিশ ধৱলি বৰণ।
তিমিৰ ফেৰিয়া বাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।
ব্ৰজবধূ দধি মথে তুৱা গুণ গাই।।

⇨ তলত দিয়া শব্দসমূহৰ আধুনিক ৰূপ লিখা —

হামো, শুনহ, ওহি, ৰহয়ে, বানৰ, কয়ল, আগু, ডাকিয়ে, গৃহে, ভাগু।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

- ⇨ 'তেজৰে কমলাপতি' বৰগীতটিত পোৱা পুৰণি অসমীয়া শব্দসমূহৰ আধুনিক ৰূপসমূহ লিখা।
- ⇨ 'তেজৰে কমলাপতি' বৰগীতটিৰ কথাখিনি নিজৰ ভাষাত লিখা।
- ⇨ 'তেজৰে কমলাপতি' বৰগীতটি কি ভাষাত ৰচিত?
- ⇨ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা বৰগীত একোটিকৈ সংগ্ৰহ কৰা।

**প্ৰসঙ্গ পুথি ঃ**

- ⇨ নতুন পাঠ (সপ্তম ভাগ)
- ⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।
- ⇨ গুণমালা।

******